’আনদেৰ পূজে যিটো সেহি মোৰ দ্ৰোহী’
শৰণম্ আশ্ৰয়

-শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ

শৰণ মানে আশ্ৰয় | পৰমাৰ্থ প্ৰাপ্তিৰ কাৰণে প্ৰথমে দুঠাইত শৰণ লব পাৰি | যেনে শাস্ত্ৰ আৰু শাস্ত্ৰজ্ঞ ভক্ত | শাস্ত্ৰ মানে সৎশাস্ত্ৰ | যেনে - গীতা, ভাগৱত, বেদ, উপনিষদ, বেদান্ত, ঘোষা, ৰত্নাৱলী আদি শাস্ত্ৰই সৎশাস্ত্ৰ | এই শাস্ত্ৰবোৰত সৎ পৰমাত্মা বস্তু বিষয়ক বিচাৰ আছে | ভক্তি কি? ঈশ্বৰ কি? তেওঁক পাবৰ উপায় কি? সংসাৰ কি? তাক ত্যাগ কৰিবৰ উপায় কি? উভয়ৰ গুণ দোষ বিচাৰ কৰি কৰ্ত্তব্যাকৰ্ত্তব্য বিষয়ে বেছিকৈ নিৰ্দ্ধাৰণ কৰি দিয়া আছে | মহান পণ্ডিত সকলে শাস্ত্ৰক আশ্ৰয় কৰি বিচাৰ পূৰ্ব্বক গতি লাভ কৰিব | কিন্তু আনবোৰে তেনে কৰিব নোৱাৰাত সৎশাস্ত্ৰ জনা ভক্ত এজনক আশ্ৰয় কৰি মানৱী জন্মৰ কৰ্ত্তব্য সিদ্ধি কৰিব |

এই শৰণ ধৰ্ম্ম সম্বন্ধে গীতাত সবিশেষ পোৱা যায় | শ্ৰীকৃষ্ণদেৱে গীতাৰ শেষ অধ্যায়ত মাত্ৰ দুটি শ্লোকত সবাতো গুহ্যতম

বাণী প্ৰচাৰ কৰিছে | যেনে -

(১) মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু |
মামেৰৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োহসি মে ||
- ১৮ | ৬৫

অৰ্থাৎ ,

মোতে মাত্ৰ সদা দিয়া মন,
মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ |
কহিলো তোমাত সত্যবাণী
পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ||
- নাম-ঘোষা

(২) সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ |

অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ||
- ১৮ | ৬৬

অৰ্থাৎ ,

সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাৎ |
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত ||
নকৰিবা ভয় হেৰা কৰোঁ অঙ্গীকাৰ |
সমস্তে পাপতে মই কৰিবো নিস্তাৰ ||
- একাদশ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ওপৰোক্ত গুহ্যতম বাণী তেৰাৰ প্ৰৱৰ্ত্তিত ধৰ্ম্মৰ অন্তৰ্ভুক্তি কৰি লৈছে | এয়ে তেৰাৰ একশৰণ

নাম বা ভাগৱত ধৰ্ম্ম |

এই একশৰণ ধৰ্ম্ম সম্বন্ধে তেৰাই লিখিছে:-

ওবা নৰলোক / হৰি ভজিয়োক

ধৰা ইটো উপদেশ |
এৰা আলজাল / জীৱা কতকাল
জৰা ভৈল পৰবেশ ||
অন্য দেৱী দেৱ / নকৰিবা সেৱ
নাখাইবা প্ৰসাদ তাৰ |
মূৰ্ত্তিকো নচাইবা / গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ ||
কৃষ্ণৰ স্থানক / যত্নে চলিয়োক
সাঞ্চিয়ো পুণ্যৰ দাম |
কৃষ্ণৰ কিঙ্কৰে / কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম ||
- ২য় স্কন্ধ ভাগৱত

এই ধৰ্ম্ম ভক্তিমূলক | উপাস্য এক কৃষ্ণদেৱ | শ্ৰীকৃষ্ণই পৰম ব্ৰহ্ম, জ্ঞানময় আৰু আনন্দময় | শ্ৰৱণ কীৰ্ত্তনেই এই ধৰ্ম্মৰ

মূল বস্তু, যেনে:-

যদ্যাপি ভক্তি নৱবিধ মাধৱৰ |

শ্ৰৱণ কীৰ্ত্তন তাতে মহাশ্ৰেষ্ঠতৰ ||
- **১**ম স্কন্ধ ভাগৱত

শ্ৰৱণ কীৰ্ত্তন মনে মনে অস্পষ্টভাৱে কৰা নহয় | ই সাৰ্ব্বজনিক্ | সমৱেত ভকতে একেলগে শুনিব আৰু গাব | ইয়াত

সকলোৰে সমান অধিকাৰ |

এই ধৰ্ম্মৰ প্ৰধান বৈশিষ্ট্য একেশ্বৰবাদ বা অদ্বৈত জ্ঞান | 'একমেবাদ্বিতীয়ম্' | একদেৱ, একসেৱ, এক বিনে নাহি কেৱ ||

মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ |
স্বৰূপতে তোমাৰ নাহিকে কিছু ভেদ ||
চৈতন্য স্বৰূপে ব্যাপি এক নিৰঞ্জন |
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন || - কীৰ্ত্তন

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত একশৰণ ধৰ্ম্মত দাস্যভাৱৰহে উৎকৃষ্টতা প্ৰমাণ কৰিছে | তেৰা নিজেই কৃষ্ণৰ কিঙ্কৰ

| এই ধৰ্ম্মত ৰাধাও নাই আৰু মধুৰ ভাবো নাই | অৱশ্যে তাত সখিত্বৰ উল্লেখ আছে |তেৰাৰ ধৰ্ম্মত দীক্ষা নাই আৰু

যোল্ল নামৰ মন্ত্ৰও নাই | আছে মাত্ৰ কৃষ্ণত শৰণ | শৰণত চাৰি বস্তু আছে | যেনে - গুৰু, দেৱ, নাম আৰু ভকত |

চাৰিও বস্তুৱে একে ভগৱন্তকে নিৰ্দ্দেশ কৰে |

ধ্যান যজ্ঞ পূজা একো কলিত নকৰি |
হুয়া একশৰণ কীৰ্ত্তন সদা কৰি ||
এতেকে তৰিবা সুখে সংসাৰ সাগৰ |
নিশ্চয় কলিত হোৱে নাৰায়ণ পৰ ||
- ৰত্নাকৰ

ওপৰৰ চাৰি বস্তুৰ ভিতৰত গুৰুৰ অৰ্থ কৃষ্ণক চিনাওঁতা গুৰু, অৰ্থাৎ শ্ৰীশঙ্কৰদেৱ, দেৱৰ অৰ্থ কৃষ্ণদেৱ, নামৰ অৰ্থ

হৰিনাম আৰু ভকতৰ অৰ্থ সাধুসঙ্গ |

এই ধৰ্ম্মৰ অপৰ নাম ভাগৱত ধৰ্ম্ম বা নামধৰ্ম্ম |

এই ধৰ্ম্মৰ লোকসকলে যদি আন দেৱ-দেৱীৰ পূজা সেৱা কৰে তেন্তে ভক্তি ব্যভিচাৰ হয় |

যেনে:-

নকৰিবা সেৱা সখি আন দেৱতাৰ |
নুহি যেন আমাৰ ভকতি ব্যভিচাৰ ||
- একাদশ

অন্য দেৱ-দেৱতা পূজা কৰা কিমান দোষৰ কথা আৰু পাপৰ কথা, তলত উদ্ধৃত কৰা মহাপুৰুষৰ লিখনিৰ পৰা বুজিব

পাৰি |

অনাচাৰ কৰি অপৰাধী মোৰ নুহি |
আন দেৱ পূজে যিটো সেহি মোৰ দ্ৰোহী ||
সেহি একশৰণ ভজন অনুপাম |
কৰ্ণে নুশুনিবে আন দেৱতাৰ নাম ||
অব্যভিচাৰিণী তাকে বোলয় ভকতি |
নাহিকে প্ৰয়াস আতি অল্পে সাধে গতি ||
- ভক্তি ৰত্নাকৰ